Total number of printed pages–23

**4 (Sem–6/CBCS) GE 1/2**

**2022**

# COMMERCE

( Generic Elective )

**Answer the Questions from any one Option.**

## OPTION–A

***( Indian Economy )***

Paper : COM–GE–6016

## OPTION–B

***( Micro Finance )***

Paper : COM–GE–6026

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

*Answer* ***either*** *in English* ***or*** *in Assamese.*

*Contd.*

## OPTION–A

### *(Indian Economy)*

Paper : COM–GE–6016

1. Answer the following questions : ***(any ten)***

$1\times10=10$

তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ লিখা ঃ *(যিকোনো ১০টা)*

*(i)* Economic development is the quantitative growth of the nation. *(True/False)*

অৰ্থনৈতিক উন্নয়ন হৈছে ৰাষ্ট্ৰৰ সাংখ্যিক বিকাশ। *(শুদ্ধ/ভুল)*

*(ii)* Write the full form of 'NITI' Aayog.

'NITI' আয়োগৰ সম্পূৰ্ণ নামটো লিখা।

*(iii)* Define GNP at market price.

বজাৰ দৰত GNP-ৰ সংজ্ঞা দিয়া।

*(iv)* Who was the first Chairman of the Planning Commission of India?

ভাৰতৰ পৰিকল্পনা আয়োগৰ প্ৰথমজন অধ্যক্ষ কোন আছিল?

(v) Write the full form of 'NDC'.

'NDC'-ৰ সম্পূৰ্ণ নামটো লিখা।

(vi) In which year 'NITI' Aayog was announced by the Union Government of India?

কোন চনত ভাৰতবৰ্ষৰ সংযুক্ত চৰকাৰে NITI আয়োগ ঘোষণা কৰিছিল?

(vii) "Import Substitution means a policy of replacement of imports by domestic product." *(True/False)*

"আমদানী বিকল্প মানে হৈছে দেশীয় বস্তুৰ দ্বাৰা আমদানীৰ বিকল্প নীতি।" *(শুদ্ধ/ভুল)*

(viii) Which Banking legislation empowers RBI to adopt credit control measures?

কোনখন বেংক নিয়ন্ত্ৰণ আইনে ভাৰতৰ ৰিজাৰ্ভ বেংকক ঋণ নিয়ন্ত্ৰণ পদ্ধতি গ্ৰহণ কৰাৰ কৰ্তৃত্ব প্ৰদান কৰিছে?

(ix) Mention *one* objective of fiscal policy of India.

ভাৰতৰ ৰাজহ নীতিৰ *এটা* লক্ষ্য উল্লেখ কৰা।

(x) Where is the headquarters of World Trade Organisation located?

বিশ্ব বাণিজ্য সংস্থা (WTO)-ৰ মুখ্য কাৰ্যালয় ক'ত স্থাপিত হৈছে?

(xi) Mention *one* cause of poverty in India.

ভাৰতৰ দৰিদ্ৰতাৰ *এটা* কাৰণ উল্লেখ কৰা।

(xii) In which year 5-year planning was started in India?

কোন বছৰত ভাৰতত পঞ্চবাৰ্ষিক পৰিকল্পনা আৰম্ভ কৰা হৈছিল?

(xiii) Write the full form of 'DONER'.

'DONER'-ৰ সম্পূৰ্ণ নামটো লিখা।

(xiv) Mention *one* objective of 'World Trade Organisation' (WTO).

'বিশ্ব বাণিজ্য সংস্থা' (WTO)-ৰ এটা উদ্দেশ্য উল্লেখ কৰা।

(xv) What is disguised unemployment?

ছদ্মবেশী নিবনুৱা মানে কি?

2. Write short answers : ***(any five)*** 2×5=10

সংক্ষেপতে উত্তৰ দিয়া ঃ *(যিকোনো ৫টা)*

*(a)* Mention *two* important causes of poverty in India.

ভাৰতবৰ্ষত দৰিদ্ৰতাৰ *দুটা* প্ৰধান কাৰণ উল্লেখ কৰা।

*(b)* Mention *two* basic indicators of physical quality of life index (PQLI).

জীৱন সূচকৰ শাৰিৰীক গুণাগুণৰ *দুটা* মৌলিক নিৰ্ণায়ক উল্লেখ কৰা।

*(c)* Write *two* features of national income of India.

ভাৰতৰ জাতীয় আয়ৰ *দুটা* বৈশিষ্ট্য লিখা।

*(d)* What is Green Revolution in 1st and 2nd phase in India?

প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ ভাৰতৰ সেউজ বিপ্লৱ কি?

*(e)* State *two* objectives of Economic Reforms, 1991 in India.

ভাৰতবৰ্ষত ১৯৯১ চনৰ অৰ্থনৈতিক সংস্কাৰৰ *দুটা* লক্ষ্য উল্লেখ কৰা।

(f) Give *two* arguments in favour of population as an important means for economic growth.

অৰ্থনৈতিক বিকাশৰ বাবে জনসংখ্যা গুৰুত্বপূৰ্ণ উপায় হিচাপে সপক্ষে *দুটা* যুক্তি আগবঢ়োৱা।

(g) State *two* major causes of low rate of savings in India.

ভাৰতৰ সঞ্চয়ৰ হাৰ নিম্ন হোৱাৰ *দুটা* প্ৰধান কাৰণ উল্লেখ কৰা।

(h) Mention *two* objectives of Act-East policy.

পূবলৈ কৰ্মনীতিৰ *দুটা* লক্ষ্য উল্লেখ কৰা।

3. Answer ***any four*** from the following : 5×4=20

তলৰ *যিকোনো চাৰিটাৰ* উত্তৰ লিখা ঃ

(a) Mention some measures to reduce urban unemployment in India.

ভাৰতবৰ্ষৰ নগৰীয়া নিৰনুৱা সমস্যা হ্ৰাস কৰিবলৈ কিছুমান উপায় উল্লেখ কৰা।

(b) State various objectives of fiscal policy of India.

ভাৰতবৰ্ষৰ ৰাজহ নীতিৰ বিভিন্ন লক্ষ্যসমূহ উল্লেখ কৰা।

(c) Give a brief note on Human Development Index (HDI).

মানৱ উন্নয়ন সূচক (HDI)-ৰ বিষয়ে চমুকৈ এটা টোকা লিখা।

(d) State various features of Indian economy at the time of Independence.

স্বাধীনতাৰ সময়ত ভাৰতীয় অৰ্থনীতিৰ বিভিন্ন বৈশিষ্ট্য-সমূহ উল্লেখ কৰা।

(e) Briefly explain the sectoral contribution to India's national income.

ভাৰতৰ ৰাষ্ট্ৰীয় আয়লৈ থকা বিভাগীয় অৱদানৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(f) State the objectives of Revamped Public Distribution System, 1992 undertaken by the Government of India.

ভাৰত চৰকাৰে গ্ৰহণ কৰা ১৯৯২ চনৰ নতুন সংস্কৰণ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ উদ্দেশ্যসমূহ উল্লেখ কৰা।

(g) Write a note on NITI Aayog.

NITI আয়োগৰ ওপৰত এটি টোকা লিখা।

(h) What are the causes of low agricultural productivity?

কৃষিৰ উৎপাদন নিম্ন হোৱাৰ কাৰণসমূহ কি কি?

4. Answer ***any four*** questions from the following : 10×4=40

তলৰ *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ

(a) What is economic development? Explain the basic issues of economic development. 2+8=10

অৰ্থনৈতিক উন্নয়ন বুলিলে কি বুজা? অৰ্থনৈতিক উন্নয়নৰ প্ৰধান দিশসমূহৰ বিষয়ে আলোচনা কৰা।

(b) State and explain the most commonly used measures of economic development.

সাধাৰণতে ব্যৱহাৰ কৰা অৰ্থনৈতিক উন্নয়নৰ পৰিমাপক-সমূহ উল্লেখ কৰি ব্যাখ্যা কৰা।

(c) What are the objectives of economic planning in India? Explain the areas where economic planning in India has failed. 4+6=10

ভাৰতবৰ্ষৰ অৰ্থনৈতিক পৰিকল্পনাৰ লক্ষ্যসমূহ কি কি? ভাৰতত অৰ্থনৈতিক পৰিকল্পনা বিফল হোৱাৰ খণ্ডসমূহ ব্যাখ্যা কৰা।

(d) Explain the areas of Economic Reforms, 1991.

১৯৯১ চনৰ অৰ্থনৈতিক সংস্কাৰৰ বিভিন্ন দিশসমূহ ব্যাখ্যা কৰা।

(e) Discuss the method of credit control in monetary policy of the Reserve Bank of India.

ভাৰতবৰ্ষৰ ৰিজাৰ্ভ বেংকৰ মুদ্ৰানীতিৰ ঋণ নিয়ন্ত্ৰণ পদ্ধতিটো আলোচনা কৰা।

(f) Discuss various instruments of fiscal policy of India.

ভাৰতবৰ্ষৰ ৰাজহ নীতিৰ বিভিন্ন আহিলাসমূহৰ বিষয়ে আলোচনা কৰা।

(g) What are the causes of slow growth rate of industrialisation in North-Eastern India. Suggest some measures for improvement of this situation.

6+4=10

উত্তৰ-পূৰ্বাঞ্চলৰ উদ্যোগীকৰণৰ বিকাশৰ হাৰ লেহেমীয়া গতিৰ হোৱাৰ কাৰণসমূহ কি কি? এই অৱস্থাৰ উন্নীতকৰণৰ বাবে কেইটামান পৰামৰ্শ আগবঢ়োৱা।

(h) What are the objectives of the North-Eastern Council? State its functions and limitations. 4+(4+2)=10

উত্তৰ-পূব পৰিষদৰ লক্ষ্যসমূহ কি কি? ইয়াৰ কাৰ্য্যপ্ৰণালী আৰু সীমাবদ্ধতাসমূহ আলোচনা কৰা।

(i) Discuss the trend of growth and structural change in Indian economy in the post-independence period.

5+5=10

স্বাধীনোত্তৰ কালত ভাৰতবৰ্ষৰ অৰ্থনীতিৰ উন্নয়ন আৰু গাঁথনিগত পৰিৱৰ্তনৰ ধাৰাটো আলোচনা কৰা।

(j) What is the policy of land reforms? Explain the objectives and significance of land reforms policy in India. 2+8=10

মাটিৰ সংস্কাৰৰ নীতি বুলিলে কি বুজা? ভাৰতবৰ্ষৰ মাটিৰ সংস্কাৰ নীতিৰ উদ্দেশ্য আৰু তাৎপৰ্য্যৰ বিষয়ে আলোচনা কৰা।

## OPTION–B

### *(Micro Finance)*

Paper : COM–GE–6026

1. Answer the following questions as directed : ***(any ten)*** 1×10=10

নির্দেশানুযায়ী তলত দিয়া *যিকোনো দহটা* প্ৰশ্নৰ উত্তৰ কৰা ঃ

*(i)* "Micro finance includes financial and non-financial services."

*(Write whether the statement is True or False)*

"ক্ষুদ্ৰ বিত্তই বিত্তীয় আৰু অনাবিত্তীয় সেৱাক সামৰি লয়।"

*(উক্তিটো শুদ্ধ নে ভুল উল্লেখ কৰা)*

*(ii)* Who is the father of micro finance?

ক্ষুদ্ৰ বিত্তৰ জনক কোন?

*(iii)* State *one* feature of micro finance.

ক্ষুদ্ৰ বিত্তৰ *এটা* বৈশিষ্ট্য উল্লেখ কৰা।

*(iv)* Write the full form of SEWA.

SEWA-ৰ পূৰ্ণ ৰূপটো লিখা।

(v) "SHG has been playing an important role in recycling of fund in micro finance institutions (MFI)."

*(Write whether the statement is True **or** False)*

"আত্ম সহায়ক গোটে ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ বিত্ত প্ৰবাহত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে।"

*(উক্তিটো সত্য নে অসত্য লিখা)*

(vi) "Generally the rate of interest charged by MFI is higher than commercial bank." *(State whether True **or** False)*

"সাধাৰণতে ক্ষুদ্ৰ বিত্ত প্ৰতিষ্ঠানে ধাৰ্য্য কৰা সুতৰ হাৰ বাণিজ্যিক বেংকতকৈ অধিক হয়।"

*(উক্তিটো সত্য নে অসত্য লিখা)*

(vii) Mention *one* problem of management of MFI.

ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান পৰিচালনাৰ *এটা* সমস্যা উল্লেখ কৰা।

*(viii)* Indian financial system consists of

ভাৰতীয় বিত্তীয় ব্যৱস্থা গঠিত

*(a)* organised sector

সংগঠিত খণ্ডৰ দ্বাৰা

*(b)* unorganised sector

অসংগঠিত খণ্ডৰ দ্বাৰা

*(c)* Both *(a)* and *(b)*

ওপৰৰ *(a)* আৰু *(b)* উভয়ৰ দ্বাৰা

*(d)* None of the above

ওপৰৰ এটাও নহয়

*(Select the most appropriate answer)*

*(শুদ্ধ উত্তৰটো বাছি উলিওৱা)*

*(ix)* Write the full form of NABARD.

NABARD-ৰ পূৰ্ণ ৰূপটো লিখা।

*(x)* SHG-Bank linkage programme is introduced by

SHG-Bank সংযুক্তি প্ৰগ্ৰেম প্ৰবৰ্তন কৰিছিল

*(a)* RBI

ভাৰতীয় ৰিজাৰ্ভ বেংকে

(b) NABARD

নাবাৰ্ডে

(c) SBI

ভাৰতীয় ষ্টেট বেংকে

(d) None of the above

ওপৰৰ এটা নহয়

*(Write the correct answer from the various alternatives)*

*(বিভিন্ন বিকল্পৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা)*

(xi) Micro Finance Institutions (Development and Regulation) Bill was passed in ________ .

*(Fill in the blank)*

ক্ষুদ্ৰ বিত্ত প্ৰতিষ্ঠান (উন্নয়ন আৰু নিয়ন্ত্ৰণ) আচনি প্ৰণয়ন কৰা হয় ________ চনত। *(খালী ঠাই পূৰণ কৰা)*

(xii) Name *one* external source of fund of MFI.

ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ পুঁজিৰ এটা বাহ্যিক উৎসৰ নাম লিখা।

(xiii) "Fund management is associated with management of cash flow of a financial institution."

*(Write whether the statement is True **or** False)*

এটা বিত্তীয় প্ৰতিষ্ঠানৰ পুঁজি ব্যৱস্থাপনা নগদ প্ৰবাহৰ ব্যৱস্থাপনাৰ সৈতে জড়িত।"

*(উক্তিটো শুদ্ধ নে অশুদ্ধ লিখা)*

(xiv) NBFCs are regulated and supervised by which of the following?

NBFC সমূহ তলৰ কোনটো প্ৰতিষ্ঠানৰ দ্বাৰা নিয়ন্ত্ৰিত হয়?

(a) SEBI
ছেবি

(b) RBI
ভাৰতীয় ৰিজাৰ্ভ বেংক

(c) Ministry of Finance
বিত্ত মন্ত্ৰণালয়

(d) NABARD
নাবাৰ্ড

*(Select the most appropriate answer)*

*(ওপৰৰ দিয়া বিকল্পৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা)*

(xv) First Co-operatrive Act was passed in India in

ভাৰতত প্ৰথম সমবায় আইন প্ৰণয়ন হয়

(a) 1904

১৯০৪ চনত

(b) 1860

১৮৬০ চনত

(c) 1912

১৯১২ চনত

(d) 1934

১৯৩৪ চনত

*(Select the correct alternative from the above)*

*(ওপৰৰ বিকল্পৰ পৰা শুদ্ধ উত্তৰটো লিখা)*

2. Answer the following questions in about **50** words each : ***(any five)*** 2×5=10

তলত দিয়া *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ প্ৰতিটোৰে প্ৰায় ৫০টা শব্দৰ ভিতৰত লিখা ঃ

(a) Give the meaning of micro finance.

ক্ষুদ্ৰ বিত্তৰ অৰ্থ লিখা।

(b) State *two* objectives of micro finance.

ক্ষুদ্র বিত্তৰ *দুটা* উদ্দেশ্য উল্লেখ কৰা।

(c) Who are the beneficiaries of micro finance?

ক্ষুদ্র বিত্তৰ হিতাধিকাৰীসমূহৰ নাম উল্লেখ কৰা।

(d) Give *two* major sources of micro finance.

ক্ষুদ্র বিত্তৰ *দুটা* প্রধান উৎস উল্লেখ কৰা।

(e) What is financial inclusion?

বিত্তীয় অন্তর্ভুক্তি কাক বোলে?

(f) State the prospects of micro finance in India.

ভাৰতত ক্ষুদ্র বিত্তৰ ভবিষ্যত সম্ভাৱনা সম্পর্কে উল্লেখ কৰা।

(g) What is the impact assessment of micro finance institution?

ক্ষুদ্র বিত্তীয় অনুষ্ঠানৰ প্রভাব মূল্যায়ন বুলিলে কি বুজা?

(h) Name *two* laws governing the micro finance activities in India.

ভাৰতত ক্ষুদ্ৰ বিত্তীয় কাৰ্য্যাৱলী পৰিচালনাৰ লগত জড়িত *দুখন* আইনৰ নাম লিখা।

3. Answer ***any four*** questions in about **150** words each from the following : 5×4=20

তলৰ *যিকোনো চাৰিটা* প্ৰশ্নৰ প্ৰতিটোৰে ১৫০টা মান শব্দৰ ভিতৰত উত্তৰ লিখা ঃ

(a) Write a note on the 'Micro Finance Institutions (Development and Regulation) Bill 2012'.

'ক্ষুদ্ৰ বিত্তীয় অনুষ্ঠান (উন্নয়ন আৰু নিয়ন্ত্ৰণ) বিল, ২০১২'-ৰ বিষয়ে এটা টোকা যুগুটোৱা।

(b) Discuss various types of non-financial services offered by MFIs.

ক্ষুদ্ৰ বিত্ত অনুষ্ঠানসমূহে আগবঢ়োৱা বিভিন্ন অনা-বিত্তীয় সেৱাবোৰ বৰ্ণনা কৰা।

(c) State about the micro finance movement in India.

ভাৰতত ক্ষুদ্ৰ বিত্তৰ জাগৰণৰ বিষয়ে আলোচনা কৰা।

(d) Discuss the need for regulation of micro finance and MFI.

ক্ষুদ্ৰ বিত্ত আৰু ক্ষুদ্ৰ বিত্তীয় অনুষ্ঠান নিয়ন্ত্ৰণৰ আৱশ্যকতা সম্পৰ্কে আলোচনা কৰা।

(e) Distinguish between micro finance and micro credit.

ক্ষুদ্ৰ বিত্ত আৰু ক্ষুদ্ৰ ঋণৰ মাজত প্ৰভেদ দেখুওৱা।

(f) Mention the salient features of micro finance.

ক্ষুদ্ৰ বিত্তৰ অন্তৰ্নিহিত বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(g) Discuss the role of the RBI Act, 1934 in regulating micro finance activities in India.

ভাৰতত ক্ষুদ্ৰ বিত্তৰ কাৰ্য্যাৱলী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ভাৰতীয় ৰিজাৰ্ভ বেংক আইন, ১৯৩৪-ৰ ভূমিকা আলোচনা কৰা।

(h) Write a detailed note on 'Demand for and supply of micro financial services'.

ক্ষুদ্ৰ বিত্তীয় সেৱাৰ চাহিদা আৰু যোগানৰ ওপৰত এটা বিস্তৃত টোকা যুগুতোৱা।

4. Answer ***any four*** questions from the following. Answer should be in about **600** words each : 10×4=40

তলত দিয়া *যিকোনো ৪টা* প্ৰশ্নৰ উত্তৰ প্ৰতিটোৰে ৬০০টা মান শব্দৰ ভিতৰত কৰা ঃ

(a) Discuss the growth and evolution of micro finance in India.

ভাৰতত ক্ষুদ্ৰ বিত্তৰ ক্ৰমবিকাশ আৰু শ্ৰীবৃদ্ধিৰ বিষয়ে আলোচনা কৰা।

(b) What are the four major segments of micro finance? Explain the benefits of micro finance. 4+6=10

ক্ষুদ্ৰ বিত্তৰ মুখ্য খণ্ড চাৰিটা কি কি? ক্ষুদ্ৰ বিত্তৰ লাভালাভ-সমূহ ব্যাখ্যা কৰা।

(c) Discuss various models of micro finance in India.

ভাৰতত থকা বিভিন্ন ক্ষুদ্ৰ বিত্তৰ আৰ্হিসমূহ আলোচনা কৰা।

(d) Explain the credit delivery mechanism under micro finance for the rural masses of India.

ক্ষুদ্ৰ বিত্ত আচনিৰ অধীনৰ গ্ৰাম্য লোকসকলৰ মাজত ক্ষুদ্ৰ ঋণ বিতৰণৰ প্ৰণালী ব্যাখ্যা কৰা।

(e) Explain the role of NABARD in the sphere of micro finance.

ক্ষুদ্ৰ বিত্তায়নত নাবাৰ্ডৰ ভূমিকা ব্যাখ্যা কৰা।

(f) Discuss the problems and prospects of micro finance in India.

ভাৰতত ক্ষুদ্ৰ বিত্তৰ সমস্যা আৰু সম্ভাৱনা সম্পৰ্কে আলোচনা কৰা।

(g) Explain different types of risk in micro finance institutions.

ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানে সম্মুখীন হোৱা বিভিন্ন প্ৰকাৰৰ বিপদাশংকাসমূহ ব্যাখ্যা কৰা।

(h) What is risk management? Explain various common risk management practices followed by MFI. 3+7=10

বিপদাশংকা ব্যৱস্থাপনা কাক বোলে? ক্ষুদ্ৰ বিত্ত প্ৰতিষ্ঠানত সাধাৰণতে ব্যৱহৃত বিপদাশংকা ব্যৱস্থাসমূহ ব্যাখ্যা কৰা।

(i) Explain the legal and regulatory framework for micro finance in India.

ভাৰতত ক্ষুদ্ৰ বিত্তৰ বাবে ব্যৱহৃত আইনী আৰু নিয়ামক পৰিকাঠামো ব্যাখ্যা কৰা।

(j) Name *four* laws governing micro finance activities in India. Explain *any one* of them in detail. 4+6=10

ভাৰতত ক্ষুদ্ৰ বিত্ত কাৰ্য্যাৱলী পৰিচালিত হোৱা চাৰিখন আইনৰ নাম লিখা। লগতে ইয়াৰ এখন আইনৰ বিশদ ব্যাখ্যা আগবঢ়োৱা।

---